**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 07 55 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

আজি বিশ্ব অ'জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয় হৈছে **মন্ত্ৰীয়েল প্ৰট'কল-জলবায়ু বিষয়ক কাৰ্যব্যৱস্থাক আগুৱাই নিয়া।** আজি ক্ষেত্ৰীৰ ডিমৰীয়া মহাবিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে অ'জন স্তৰ সংৰক্ষণৰ আন্তঃৰাষ্ট্ৰীয় দিৱস পালন কৰা হ'ব। বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, পৰিৱেশ আৰু বন বিভাগে যুটীয়াভাৱে আয়োজন কৰা এই অনুষ্ঠানত অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, অসম জলবায়ু পৰিৱৰ্তন পৰিচালনা সমিতি, ডিমৰীয়া মহাবিদ্যালয়, ই ই পি অসম আৰু ই আই এ চি পি পি চি হাব অসমে সহযোগিতা আগবঢ়াইছে। অনুষ্ঠানত বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন ইত্যাদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, পৰিৱেশ আৰু বন ইত্যাদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব।

ইফালে অ'জন দিৱস উপলক্ষে ৰাজ্যিক আৰু জিলা পৰ্যায়ত চৰকাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যিক পৰ্যায়ত অ'জন স্তৰৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ, ইণ্ডিয়া কুলিং এক্সন প্লেন, ২০২৪ বৰ্ষৰ অ'জন দিৱসৰ বিষয়, জলবায়ু পৰিৱৰ্তনৰ কাৰ্য আৰু নীতিসমূহ ইত্যাদি বিষয়ত বক্তৃতা, পোষ্টাৰ প্ৰতিযোগিতা, গছপুলি ৰোপণ আদি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আনহাতে জিলা পৰ্যায়ৰ কাৰ্যসূচী হিচাপে মহাবিদ্যালয় ইকো ক্লাব আৰু মহাবিদ্যালয় পৰিৱেশ আৰু জলবায়ু কোষৰ দ্বাৰা ইণ্ডিয়া কুলিং এক্সন প্লেন সম্পৰ্কে সজাগতা তথা গছপুলি ৰোপণ ইত্যাদি অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ঢকুৱাখানা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী প্ৰতিষ্ঠাৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি তথা নৱনিৰ্মিত শিক্ষক ভৱন কালি উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বিধায়ক নৱ কুমাৰ দলে ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ কৰি ঢকুৱাখনা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীলৈ শুভেচ্ছা জনায়। ভাষণত বিধায়কগৰাকীয়ে এই নতুন শিক্ষক ভৱনৰ মুকলিয়ে ন-উদ্যমেৰে সন্মিলনীৰ কাম-কাজ আগুৱাই নিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত ঢকুৱাখনা মহকুমাৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি পৰমা কোঁৱৰ, সাংবাদিক নিতুমণি শইকীয়াৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

লখিমপুৰ জিলাৰ লালুকত খাদ্যত বিষক্ৰিয়া হৈ মুঠ ৪৮ গৰাকী লোক চিকিৎসাধীন হ'বলগীয়া হৈছে। ইয়াৰে ১৫ গৰাকী লোকক উন্নত চিকিৎসাৰ বাবে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত লালুক আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ ভাৰতী বৰা আৰু স্থানীয় লোকে জনোৱা মতে লালুক থানাৰ অন্তৰ্গত পূব লালুক পুখুৰীপৰীয়া গাঁৱৰ এটা পৰিয়ালৰ গৃহত অনুষ্ঠিত কৰা এটা ধৰ্মীয় অনুষ্ঠানত মাহ-প্ৰসাদ আৰু পায়স খোৱাৰ পাছতেই লোকসকল অসুস্থ হৈ পৰে। চিকিৎসাধীন লোকসকলৰ অসহ্য পেটৰ

বিষ, বমী আৰু ডায়েৰীয়াত আক্ৰান্ত হয়। অসুস্থ লোকসকলৰ ভিতৰত বয়োজ্যেষ্ঠৰ পৰা কন কন শিশুও আক্ৰান্ত হয় বুলি চিকিৎসকে জানিবলৈ দিয়ে।

০০০০০০০

ধেমাজি মহকুমাৰ সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ কেশৱ কছাৰীৰ কালি সন্ধিয়া বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত শোকৰ ছা পৰিছে। ধেমাজি জিলাৰ বাটঘৰীয়া চেচাহৰ গাঁৱৰ সমাজকৰ্মী তথা ভাৰতীয় জনতাপাৰ্টীৰ জ্যেষ্ঠ কাৰ্যকৰ্তা কেশৱ কছাৰীৰ আকস্মিক মৃত্যুত দলৰ লগতে ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে শোক প্ৰকাশ কৰি পৰিয়াল বৰ্গলৈ সমাবেদনা জনাইছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বিশ্বনাথ, ডিব্ৰুগড়, আৰু ধেমাজি জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

**সমাপ্ত**